**2017**

# ASSAMESE

( Major )

Paper : 1.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×১০=১০

(ক) লোকসাহিত্য কাক বোলে ?

(খ) 'দহৰ জ্ঞান, একৰ বাণী' বুলি কিহক কোৱা হয় ?

(গ) 'আখ্যানমূলক গীত' কাক বোলে ?

(ঘ) 'মৈষাল গীত' অসমৰ কোন অঞ্চলত প্ৰচলিত ?

(ঙ) মাধৱ কন্দলিৰ 'ৰামায়ণ'-ৰ 'আদিকাণ্ড'টো কোনে ৰচনা কৰিছিল ?

(চ) অনন্ত কন্দলিৰ প্ৰকৃত নাম কি আছিল ?

(ছ) শঙ্কৰদেৱে ৰচনা কৰা প্ৰথম কাব্যখন কি ?

(জ) অসমীয়া সাহিত্যত কাক 'মহাভাৰত'ৰ কবি বুলি জনা যায় ?

(ঝ) ভাস্কৰবৰ্মাৰ তাম্ৰ শাসনখনৰ নাম কি আছিল ?

(ঞ) মধ্যযুগৰ অসমীয়া লিপিৰ লিখনশৈলী কেইটা আছিল ?

২। এটা বা দুটা শাৰীত চমু উত্তৰ লিখা : ২×৫=১০

(ক) জুনা কাক বোলে ? অসমীয়া সমাজত প্ৰচলিত এবিধ জুনাৰ নাম লিখা।

(খ) প্ৰহ্লাদ চৰিত্ৰ কোনে ৰচনা কৰিছিল আৰু তেওঁ কোন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

(গ) শঙ্কৰী যুগৰ বৈষ্ণৱ সাহিত্যৰ মূল উৎস কি আছিল ?

(ঘ) পাঁচালী শব্দৰ অৰ্থ কি ? পাঁচালী সাহিত্যৰ মূল বিশেষত্ব কি ?

(ঙ) শঙ্কৰদেৱৰ দুখন অংকীয়া নাটৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) লোকসাহিত্যৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) সাধুকথা কাক বোলে ? মূল আৰু বিষয়বস্তু অনুসৰি সাধুকথাক কি কি ভাগত ভগাব পাৰি ?

(গ) অঙ্কীয়া নাট সম্পৰ্কে চমুকৈ লিখা।

(ঘ) দুৰ্গাবৰৰ কাব্য-প্ৰতিভা সম্পৰ্কে চমুকৈ লিখা।

(ঙ) মাধৱদেৱৰ ঝুমুৰা সম্পৰ্কে এটা টোকা লিখা।





(চ) বামুনীয়া লিপি কাক বোলে, চমুকৈ লিখা।

(ছ) লিপিচৰ্চাৰ সমলসমূহৰ বিষয়ে আলোচনা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) 'লোকগীত' কাক বোলে ? অসমীয়া লোকগীতক কেইটা ভাগত ভাগ কৰিব পাৰি ? প্ৰতিটো ভাগৰ বিষয়ে চমুকৈ লিখা।

(খ) ফকৰা-যোজনা-প্ৰৱচন সম্পৰ্কে এটা আলোচনা আগবঢ়োৱা।

(গ) বিহুগীতত অসমৰ প্ৰকৃতি-জগতৰ ছবি কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(ঘ) 'নামঘোষা'ত ভক্তিৰ প্ৰকাশ কিদৰে ঘটিছে, আলোচনা কৰা।

(ঙ) প্ৰাক্-শঙ্কৰী যুগৰ সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰা।

(চ) বৰগীত সম্পৰ্কে বিশদভাৱে আলোচনা কৰা।

(ছ) "বধকাব্যবোৰ এক প্ৰকাৰ ৰূপক কাব্য।" এই উক্তিৰ আধাৰত বধকাব্য সম্পৰ্কে এটা আলোচনা আগবঢ়োৱা।

(জ) "অসমীয়া লিপিটো শিলালিপি আৰু তামৰ ফলিত ব্যৱহৃত লিপিৰ বিকশিত এটা ৰূপ।" ইয়াৰ আধাৰত অসমীয়া লিপিৰ ক্ৰমবিকাশ সম্পৰ্কে লিখা।

★★★

(খ) ৰচকগৰাকীৰ চমু পৰিচয় দি ১ নং চৰ্যাৰ গূঢ়াৰ্থখিনি তোমাৰ নিজৰ ভাষাৰে বৰ্ণনা কৰা।

*অথবা*

কবিজনাৰ চমু পৰিচয় উল্লেখ কৰি 'চিত্ৰকূটৰ চিত্ৰ' কাব্যাংশত কবিগৰাকীয়ে অলংকাৰৰ প্ৰয়োগ কেনেদৰে কৰিছে, আলোচনা কৰা।

(গ) 'নন্দোৎসৱ' কবিতাটিত প্ৰকাশ পোৱা নন্দৰ উৎসৱৰ পৰিৱেশ আৰু উৎসৱৰ অন্তত নন্দই অভ্যাগতসকলক কৰা আপ্যায়ন কেনেধৰণৰ আছিল, বৰ্ণনা কৰা।

*অথবা*

শ্ৰীধৰ কন্দলীৰ 'কাণখোৱা' কবিতাটিক শিশু-সাহিত্যৰ অংশ হিচাপে গণ্য কৰিব পাৰি নে নোৱাৰি, বিচাৰ কৰা।

(ঘ) 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চৈত্ৰাৱলী চুতৰ্দ্দশীৰ মোট খেলা' কাব্যাংশৰ অন্তৰ্নিহিত ভাবাৰ্থ মুকলি কৰা।

*অথবা*

'চিত্ৰলেখাৰ পট নিৰ্মাণ' কাব্যাংশত কবি পীতাম্বৰৰ বৰ্ণনা নৈপুণ্য কিদৰে প্ৰকাশিত হৈছে, বহলাই লিখা।

★★★





**2017**

# ASSAMESE

## ( Major )

Paper : 1.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) বজ্ৰযানৰ মূল ভেটি কি?

(খ) তোমাৰ পাঠ্য ১ নং চৰ্যাৰ 'ৰাগ'টো কি?

(গ) 'শূন্য পুৰাণ' কোনে ৰচনা কৰিছিল?

(ঘ) শংকৰদেৱে কাক পূৰ্বকবি অপ্ৰমাদী বুলি কৈছে?

(ঙ) 'ঊষা-পৰিণয়' কাব্যখনৰ ৰচক কোন?

(চ) "দেখা দেখা জানকী হৰিষ কৰি মন"—পংক্তিটো কোনটো কবিতাৰ অন্তৰ্গত?

(ছ) 'নন্দোৎসৱ' কবিতাটিৰ আধাৰ গ্ৰন্থখনৰ নাম কি?

(জ) অসমীয়া কোনবিধ লোকগীতৰ আৰ্হিত শ্ৰীধৰ কন্দলীৰ 'কাণখোৱা' কাব্যখন ৰচিত?

(ঝ) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটিত চিত্ৰলেখাই প্ৰথমে কাৰ ছবি অংকন কৰিছিল?

(ঞ) "সমস্তে জগত প্ৰতিপাল কৰি
আত্মাৰূপে আছো ধৰি।"

ইয়াত কোনে সমস্ত জগত প্ৰতিপাল কৰি থকা বুলি কোৱা হৈছে?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) লুইপাদে সংস্কৃত ভাষাত লিখা দুখন পুথিৰ নাম লিখা।

(খ) 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটিৰ কবি কোন? কবিতাটিৰ আধাৰ গ্ৰন্থখনৰ নাম কি?

(গ) নন্দ কোন? তেওঁ কি উপলক্ষ্যে উৎসৱ পালন কৰিছিল?

(ঘ) প্ৰাচীন অসমীয়া (ধ্ৰুপদী) সাহিত্যৰ অন্তৰ্গত দুখন অনুবাদমূলক গ্ৰন্থৰ নাম লিখা।

(ঙ) যুদ্ধকাব্যৰ কবি বুলি কাক কোৱা হয়? তেওঁৰ দ্বাৰা ৰচিত যুদ্ধকাব্য এখনৰ নাম লিখা।

৩। প্ৰসংগ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) কাআ তৰুবৰ পঞ্চ বি ডাল।
চঞ্চল চীএ পইঠো কাল॥

(খ) হালধিৰ গুণ্ডি তৈল পানী মিসলাই।
অন্যো অন্যে সিঞ্চে গোবিন্দৰ গুণ গাই॥





(গ) ওপৰত মেঘ যেন দেখিয় শোভন।
বাঢ়িল নিকলি যেন পৃথিৱীৰ তন॥
শিখৰ ওপৰে মন্দাকিনী শুক্লজল।
তনক ঢাকিয়া যেন বস্ত্ৰৰ আঞ্চল॥

(ঘ) ৰামৰূপে মই সীতাৰ নিমিত্তে
সাগৰ ভৈলোহো পাৰ।
সবংশে ৰাৱণ ৰাক্ষস বধিলো
খণ্ডিলো ভূমিৰ ভাৰ॥

(ঙ) হস্তী-ঘোঁৰা সৃজিলেক পাত্ৰ-মন্ত্ৰীগণ।
সুৱৰ্ণৰ স্তম্ভ মণিময় বিচক্ষণ॥
আয়াস মন্দিৰ সুশোভন সিংহাসন।
পঞ্চশব্দ বজাৱে নৰ্ত্তকী নটগণ॥

(চ) ইহাৰ বিৰহে মোৰ তনুসৰ দহে।
এহতো যৌৱন চোৰা আনজন নোহে॥
কি নাম ইহান সখি কোন দেশে থাকে।
কিবা নাম কাহাৰ তনয় কহ মোকে॥

৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) 'প্ৰাচীন অসমীয়া (ধ্ৰুপদী) কবিতা' সম্পৰ্কে এটি নাতিদীৰ্ঘ আলোচনা যুগুত কৰা।

*অথবা*

অসমীয়া ভক্তি সাহিত্যলৈ শংকৰদেৱৰ অৱদান সম্পৰ্কে আলোচনা কৰা।